**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-06-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---

১। নতুন ফৌজদাৰী আইন ভাৰতীয় ন্যায় সংহিতা ২০২৩, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম ২০২৩ সোমবাৰৰ পৰা দেশত প্ৰযোজ্য।

২। বাতিল হোৱা আৰু পিছুৱাই দিয়া বিভিন্ন পৰীক্ষাৰ নতুন সূচী ঘোষণা ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ।

৩। চাহপাতৰ গুণগত মান পৰীক্ষা কৰিবলৈ ৰাজ্য চৰকাৰৰ উদ্যোগত আজি প্ৰথমখন ভ্ৰাম্যমাণ পৰীক্ষণ বাহন মুকলি।

৪। গুৱাহাটী বিশ্ববিদ্যালয়ৰ নম্বৰ তালিকা জালিয়াতিত জড়িত থকাৰ অভিযোগত ধুবুৰী আইন মহাবিদ্যালয়ৰ কম্পিউটাৰ শিক্ষক শিৰতোষ মাহাতোক আটক।

**আৰু**

৫। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি ভাৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

নতুন ফৌজদাৰী আইন ভাৰতীয় ন্যায় সংহিতা ২০২৩, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম ২০২৩ সোমবাৰৰ পৰা দেশত প্ৰযোজ্য হ'ব। সংসদৰ শীতকালীন অধিবেশনৰ সময়ত এই বিধেয়ককেইখন গৃহীত হৈছিল। নতুন আইন তিনিখনে ভাৰতীয় নাগৰিকৰ সৱলীকৰণৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব। সকলোৰে বাবে সুলভ, সহায়ক আৰু দক্ষ ন্যায় ব্যৱস্থা গঢ়ি তোলাই হৈছে এই আইনকেইখনৰ মূল উদ্দেশ্য। নতুন ফৌজদাৰী আইনকেইখনৰ ঘাই ব্যৱস্থাসমূহৰ ভিতৰত ঘটনাৰ অনলাইন অৱগতকৰণ, যিকোনো থানাত এজাহাৰ ৰুজু কৰা আৰু ঘটনাৰ বলি হোৱাসকলক এজাহাৰৰ প্ৰতিলিপি প্ৰদান কৰা অন্যতম। তদুপৰি কোনো ব্যক্তিক গ্ৰেপ্তাৰ কৰিলে তেওঁৰ নিজৰ স্থিতিৰ বিষয়ে পচন্দৰ ব্যক্তিক জনোৱাৰ অধিকাৰ থাকিব। নতুন আইন তিনিখনত মহিলা আৰু শিশুৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ তদন্ত অগ্ৰাধিকাৰ ভিত্তিত কৰাত গুৰুত্ব দিয়া হৈছে। এনে ধৰণৰ গোচৰ এজাহাৰ ৰুজু হোৱাৰ দুমাহৰ ভিতৰতে সমাধান কৰিব লাগিব।

০০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই বাতিল হোৱা আৰু পিছুৱাই দিয়া বিভিন্ন পৰীক্ষাৰ নতুন সূচী ঘোষণা কৰিছে। সংস্থাটোৰে কালি জাৰি কৰা এখন জাননীত কোৱা হৈছে যে, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ পৰীক্ষা, ইউ জি চি-নেট জুন-২০২৪, ২১ আগষ্টৰ পৰা ৪ ছেপ্তেম্বৰৰ ভিতৰত অনুষ্ঠিত হ'ব। ১৮ জুনত এই পৰীক্ষা অনুষ্ঠিত হোৱাৰ পাছত শিক্ষা মন্ত্ৰালয়ে পৰীক্ষাৰ সততাক লৈ আপোচ হোৱা বুলি অভিযোগ লাভ কৰাৰ পাছত বাতিল কৰা হৈছিল। ইপিনে, সতৰ্কতামূলক ব্যৱস্থাৰ অংশ হিচাপে স্থগিত ৰখা সংযুক্ত চি এছ আই আৰ- ইউ জি চি নেট জুন-২০২৪, ২৫ৰ পৰা ২৭ জুলাইলৈ অনুষ্ঠিত হ'ব।

একেদৰে, ৪ বছৰীয়া সংহত শিক্ষক শিক্ষা কাৰ্যসূচী আই টি ই পিত নামভৰ্তিৰ বাবে ৰাষ্ট্ৰীয় উমৈহতীয়া প্ৰৱেশ পৰীক্ষা এন চি ই টি ১০ জুলাইত অনুষ্ঠিত হ'ব। এই পৰীক্ষাও বিভিন্ন কাৰণত পিছুৱাই দিয়া হৈছিল। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই প্ৰকাশ কৰিছে যে, সৰ্বভাৰতীয় আয়ুষ স্নাতকোত্তৰ প্ৰৱেশ পৰীক্ষা পূৰ্ব নিৰ্ধাৰিত সূচী অনুযায়ী ৬ জুলাইত অনুষ্ঠিত হ'ব। সংস্থাটোৱে অধিক তথ্যৰ বাবে শিক্ষাৰ্থীসকলক www.nta.ac.in ৱেবছাইট চাবলৈ পৰামৰ্শ দিছে।

oooooo

চাহপাতৰ গুণগত মান পৰীক্ষা কৰিবলৈ ৰাজ্য চৰকাৰৰ উদ্যোগত আজি প্ৰথমখন ভ্ৰাম্যমাণ পৰীক্ষণ বাহন মুকলি কৰা হ'ব। চৰাইদেও জিলাৰ মথুৰাপুৰ চাহ বাগিচাত আজি দিনৰ ১২ বজাত এই পৰীক্ষণ বাহন মুকলি অনুষ্ঠান অনুষ্ঠিত হ'ব। ৰাজ্যত প্ৰথমবাৰৰ বাবে উপলব্ধ হ'বলগীয়া এই বাহনখন উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই মুকলি কৰিব। কৃষি বিভাগৰ তৰফৰ জনোৱা মতে এই বাহনখনে কৃষকক কেইবাটাও দিশত লাভান্বিত কৰিব। এই পৰীক্ষণৰ সুবিধাই ভাৰতৰ খাদ্য সুৰক্ষা আৰু মানক কৰ্তৃপক্ষই নিৰ্ধাৰণ কৰি দিয়া বিধি ১০০ শতাংশ মানি চলাটো নিশ্চিত কৰিব। দ্বিতীয়তে সেউজীয়া চাহপাত আৰু প্ৰস্তুত কৰা চাহৰ উচিত মূল্য লাভত সহায়ক হ'ব। পৰীক্ষণ বাহনখনে অসমৰ চাহৰ ৰপ্তানি বৃদ্ধিতো সহায় কৰিব।

oooooo

গুৱাহাটী বিশ্ববিদ্যালয়ৰ নম্বৰ তালিকা জালিয়াতিত জড়িত থকাৰ অভিযোগত ধুবুৰী আইন মহাবিদ্যালয়ৰ কম্পিউটাৰ শিক্ষক শিৱতোষ মাহাতোক আটক কৰা হৈছে। ধুবুৰী আৰক্ষীৰ সহযোগত কালি বৰপেটা আৰক্ষীয়ে কম্পিউটাৰ শিক্ষকজনক আটক কৰি নিজৰ জিম্মাত লয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে ধনৰ বিনিময়ত নম্বৰ বৃদ্ধি কৰাৰ এই বৃহৎ কেলেংকাৰীৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰিবলৈ আৰক্ষীক নিৰ্দেশ দিছে। আৰক্ষীৰ তদন্তৰ মাজতে গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সন্থাই বিশ্ববিদ্যালয়খনৰ পৰাই বৃহৎ ধনৰ বিনিময়ত এই কেলেংকাৰী নিয়ন্ত্ৰণ হৈ থকাৰ অভিযোগ উত্থাপন কৰিছে। অভিযোগ অনুসৰি স্নাতকোত্তৰ ছাত্ৰ সন্থাই দীৰ্ঘদিন ধৰি প্ৰমাণ সহকাৰে বিশ্ববিদ্যালয় কৰ্তৃপক্ষক এই কেংলেকাৰীৰ তথ্য দি অহাৰ পিছতো কৰ্তৃপক্ষই কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। আৰক্ষী আৰু চি আই ডিৰ তদন্তত এই কেলেংকাৰীত বৰপেটা জিলাৰ কেইবাজনো শিক্ষাৰ্থী জড়িত থকাৰ কথা পোহৰলৈ আহিছে। বিশ্ববিদ্যালয়খনৰ শিক্ষাৰ্থীৰ পৰীক্ষাৰ নম্বৰ আই অ' এম এছ্ নামৰ পুৰণি ব্যৱস্থাটোৰ জৰিয়তে নম্বৰ তালিকাত সন্নিৱিষ্ট কৰা হয়। এই ব্যৱস্থা চলোৱা প্ৰতিষ্ঠানটোৰ সৈতে ২০২২ চনতে বিশ্ববিদ্যালয়খনৰ চুক্তিৰ ম্যাদ অন্ত পৰে যদিও বৰ্তমানলৈকে এই প্ৰতিষ্ঠানটোৱেই নম্বৰ তালিকাৰ কাম কৰি আছে। ফলত এই ব্যৱস্থাটোত নম্বৰ বৃদ্ধি কৰাৰ বাবে ধনৰ ব্যাপক লেন-দেন হোৱাৰ অভিযোগ উঠিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি বৰপেটাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ নম্বৰ দিয়া কম্পিউটাৰ ব্যৱস্থাত আসোঁৱাহ থকাৰ কথা প্ৰকাশ কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° প্ৰতাপ জ্যোতি সন্দিকৈয়ে নম্বৰ তালিকা কেলেংকাৰীৰ তদন্তত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই সম্পূৰ্ণ সহযোগ কৰিব বুলি জানিবলৈ দিছে।

oooooo

মাজুলীৰ গড়মূৰ থানাত কালি নতুন অপৰাধী আইন ৰূপায়ণৰ ক্ষেত্ৰত ভাৰতীয় ন্যায় সংহিতা ২০২৩, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম ২০২৩ৰ বিষয়ে এখন জনসজাগতামূলক অনুষ্ঠান অনুষ্ঠিত হয়। সভাখনত জিলা আৰক্ষী অধীক্ষক বিবেকানন্দ দাসে সমগ্ৰ দেশজুৰি

অহা ১ জুলাইৰ পৰা বলৱৎ হ'বলগীয়া আইন সন্দৰ্ভত বিস্তৃতভাৱে ব্যাখ্যা কৰে। সভাত অতিৰিক্ত আৰক্ষী অধীক্ষক বিপুল চেতিয়াই পৰিৱৰ্তিত এই আইন সন্দৰ্ভত বক্তব্য প্ৰদান কৰি ৰাইজৰ সহযোগিতা কামনা কৰে। মাজুলী জিলা সাহিত্য সভাৰ সভাপতি ৰাম সাগৰ নাথ, শিক্ষাবিদ পুতুল মহন্ত, সমাজকৰ্মী ফিজু দত্ত, সাংবাদিক জীৱন বৰুৱা, গাঁওৰক্ষী বাহিনীৰ প্ৰশান্ত শইকীয়াই সভাখনত উপস্থিত থাকি আইন সন্দৰ্ভত প্ৰশাসনে ৰাইজক আগতীয়াকৈ জনোৱাৰ বাবে ধন্যবাদ জনায়। এই সভাত উপ আৰক্ষী অধীক্ষক হিমাংশু গোহাঁই, আৰক্ষী বিষয়াসকল আৰু গড়মূৰ আৰক্ষী চকীৰ অন্তৰ্গত গাঁওৰক্ষী বাহিনীৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

ইফালে জিলা শিশু সুৰক্ষা গোটৰ উদ্যোগত কালি বৰহোলা প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগণত বৰহোলা অঞ্চলৰ মহিলাসকলক লৈ শিশুৰ সুৰক্ষা সন্দৰ্ভত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত মাজুলী শিশু কল্যাণ সমিতিৰ অধীক্ষক বাণীকান্ত বৰুৱাৰ লগতে উপস্থিত থকা জিলা শিশু সুৰক্ষা গোটৰ বিষয়া জ্যোতিকা বৰা, সমাজকৰ্মী ৰুণুমনি বৰা আৰু কাউন্সিলাৰ জিতেন বৰাই উক্ত বিষয় সন্দৰ্ভত আলোচনা কৰি ৰাইজ মাজত সজাগতা সৃষ্টি কৰে।

০০০০০০

কৃষি বিভাগৰ দ্বাৰা বিভিন্ন আলোচনা-পৰ্যালোচনা আৰু পৰিদৰ্শনৰ উদ্দেশ্যে কালি অসম কৃষি সঞ্চালকালয়ৰ এটা উচ্চস্তৰীয় প্ৰতিনিধিৰ দল মৰিগাঁৱত উপস্থিত হয়। ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ ৰাজ্যিক ন'ডেল বিষয়া ভাস্কৰ কলিতাৰ নেতৃত্বত অহা প্ৰতিনিধিৰ দলটোৱে জিলাখনৰ কৃষি পদ্ধতিৰ মূল্যাংকন আৰু জিলাখনৰ বিভিন্ন প্ৰান্তত চলি থকা আঁচনিসমূহৰ ৰূপায়ণৰ ক্ষেত্ৰসমূহ পৰিদৰ্শন কৰে। এই পৰিদৰ্শনকালত দলটোৱে কৃষকসকলৰ মনৰ ভাব জানিবলৈ চেষ্টা কৰে। প্ৰথমে প্ৰতিনিধি দলটো জাগীৰোড কৃষি চক্ৰৰ অন্তৰ্গত আমলিঘাট, বানানা প্ৰডিউচাৰ কোম্পানীৰ কাৰ্যালয়ত উপস্থিত হয়। ইয়াৰ পিছতে দলটো জাগীৰোডৰ মকৰীয়াত অসম ফ্লৰি কালচাৰ মিছনৰ অধীনত কৃষক নিপজ্যোতি বৰাই ব্যৱসায়ভিত্তিত কৰা এন্থুৰিয়াম ফুলৰ খেতি পৰিদৰ্শন কৰে।

ইফালে কাৰ্বি আংলং জিলাৰ ডিফু কৃষি বিজ্ঞান কেন্দ্ৰই জিলাখনত  কৃষি উৎপাদন দুগুণ কৰাৰ বাবে বিশেষ আঁচনি গ্ৰহণ কৰিছে। সেই অনুসৰি কালি ধনশিৰিৰ কঠালগুৰিত স্থানীয় কৃষকৰ মাজত এই সন্দৰ্ভত সজাগতা সৃষ্টি কৰিবৰ বাবে ডিফু কৃষি বিজ্ঞান কেন্দ্ৰৰ বিশেষজ্ঞ সকলে বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰে।

০০০০০০

এন আই এ-য়ে যোৰহাট লিচুবাৰী সেনা শিবিৰৰ সমীপত বিগত বৰ্ষৰ ১৪ ডিচেম্বৰত হোৱা বোমা বিস্ফোৰণ ঘটনাৰ অভিযোগনামা দাখিল কৰিছে। কিন্তু এই অভিযোগনামাত দোষী সাব্যস্ত কৰি মৃত্যুৰ মুখলৈ ঠেলি দিয়া তিতাবৰৰ দিপাংকৰ গগৈৰ নাম নথকাত স্থানীয় ৰাইজে প্ৰবল প্ৰতিবাদ সাব্যস্ত কৰিছে। ভুৱা গোচৰত তিতাবৰৰ যুৱক দিপাংকৰ গগৈক নিৰ্যাতন চলাই মৃত্যুৰ মুখলৈ ঠেলি দিয়া যোৰহাটৰ তদানীন্তন আৰক্ষী অধীক্ষক মোহনলাল মীনাক শীঘ্ৰেই গ্ৰেপ্তাৰ কৰি আইনী শাস্তি প্ৰদান কৰিবলৈ ৰাইজে চৰকাৰক দাবী জনাইছে।

০০০০০০

যোৰহাট জিলা প্ৰশাসনে আজিৰে পৰা তিনিদিনীয়াকৈ যোৰহাট জিলা দিৱস উদযাপন কৰিবলৈ লৈছে। আজি পুৱা যোৰহাট জিলা দিৱসৰ এই কাৰ্যসূচীৰ শুভাৰম্ভ ছাফাই অভিযানেৰে হয়। পুৱা নগৰখনৰ বিভিন্ন বাটপথ ছাফাই কৰ্মীসকলে পৰিষ্কাৰ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১১ সংখ্যক খণ্ড। আনহাতে শ্ৰীমোদীয়ে একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত এয়া হ'ব মন কী বাতৰ প্ৰথমটো খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজৰ উপৰি প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটোৰ ঠিক পাছতে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

ভাৰত আজি বাৰবাডোছত হ'বলগীয়া আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

ৰোহিত শৰ্মাৰ নেতৃত্বত ভাৰতীয় দলটোৱে ছেমি ফাইনেলত যোৱাবাৰৰ চেম্পিয়ন ইংলেণ্ডক ৬৮ ৰানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।আনহাতে দক্ষিণ আফ্ৰিকাই ছেমি ফাইনেলত আফগানিস্তানক পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰত আৰু দক্ষিণ আফ্ৰিকা এইবাৰৰ প্ৰতিযোগিতাত বৰ্তমানলৈকে এখনো খেলত পৰাজিত হোৱা নাই। ভাৰতীয় ক্ৰিকেট দলৰ মুখ্য প্ৰশিক্ষক হিচাপে ৰাহুল দ্ৰাবিড়ৰ এইখন অন্তিমখন খেল হ'ব।

০০০০০০

ভাৰতীয় মহিলা ক্ৰিকেট দলে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে চেন্নাইত অনুষ্ঠিত একমাত্ৰ টেষ্টৰ আজি দ্বিতীয় দিনা ৪ উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ৫২৫ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰিব। ভাৰতে কালি প্ৰথম দিনা টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ সুন্দৰ প্ৰদৰ্শন কৰে। শ্বেফালি বাৰ্মা আৰু স্মৃতি মান্ধানাই প্ৰথম উইকেটৰ যুটীত ২৯২ ৰান কৰি মহিলা টেষ্ট ক্ৰিকেটৰ ইতিহাসত সৰ্বাধিক ৰানৰ অভিলেখ গঢ়ে। শ্বেফালি বাৰ্মাই ১৯৭টা বলত ২০৫ ৰান কৰি মহিলা টেষ্ট ক্ৰিকেটত দ্ৰুত দ্বিশতক অৰ্জন কৰে। আনহাতে মান্ধানাই ১৬১টা বলত ১৪৯ ৰান কৰে। ভাৰতীয় মহিলা দলটোৱে একেটা দিনত ৫২৫ ৰান সংগ্ৰহ কৰি মহিলা টেষ্ট ক্ৰিকেটৰ ইতিহাসৰ ৮৯ বছৰৰ পুৰণি অভিলেখ ভংগ কৰে। ইয়াৰ পূৰ্বে ইংলেণ্ডে ১৯৩৫ চনত নিউজিলেণ্ডৰ বিৰুদ্ধে ক্ৰাইষ্টচাৰ্চত এদিনতে দুটা উইকেট হেৰুৱাই ৪৩১ ৰান কৰিছিল।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ ভিতৰত **দৈনিক অসম, নিয়মীয়া বাৰ্তা** আৰু **দৈনিক অগ্ৰদূত** কাকতে গুৱাহাটী বিশ্ববিদ্যালয়ত ধনৰ বিনিময়ত নম্বৰ বৃদ্ধি কৰি মাৰ্কশ্বীট কেলেংকাৰী হোৱা বাতৰিটো ভিন ভিন শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ৰাইজক মাধমাৰ দি বৃদ্ধি কৰিলে সেৱা মাচুল। এই শিৰোনামেৰে **অসমীয়া প্ৰতিদিন** কাকতে মুখ্য বাতৰি প্ৰকাশ কৰিছে। পৰীক্ষাক লৈ ধুমুহা, সদন অচল, সুৱাত মগন ৰাজ্য- ৰাজকোষলৈ দৈনিক ১১ কোটি, ৰাজধানী দিল্লীত জলপ্ৰলয় শিৰোনামেৰে ক্ৰমে **আমাৰ অসম, অসমীয়া খবৰ** আৰু **দৈনিক জনমভূমি** কাকতে মুখ্য বাতৰি প্ৰকাশ কৰিছে। ১২০৪ কোটি টকা ব্যয় সাপেক্ষ কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চললৈ ৬টা প্ৰকল্প ঘোষণা কৰাৰ বাতৰিটো **দ্যা ছেণ্টিনেল** কাকতে Centre considers 6 projects for NE worth Rs. 1204 crore শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। আনহাতে **দি আছাম ট্ৰিবিউন** কাকতে নীট

পৰীক্ষাৰ বেমেজালিৰ বিষয়টো উত্থাপন কৰাৰ ফলত সদন উত্তপ্ত হোৱাৰ বাতৰিটো কাকতখনে Ruckus in Parliament over NEET issue শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। এই বাতৰিটোকে **দৈনিক অসম, নিয়মীয়া বাৰ্তা, দৈনিক অগ্ৰদূত**ৰ লগতে অন্য কাকতেও গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাজ্যপাল গোলাব চান্দ কাটাৰীয়াই ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে শৈক্ষিক উৎকৰ্ষৰ নতুন যুগৰ সূচনা কৰিব বুলি কৰা মন্তব্যৰ বাতৰিটোৰ লগতে গুৱাহাটীৰ পৰা পুনৰ এয়াৰ ইণ্ডিয়াৰ আন্তঃৰাষ্ট্ৰীয় বিমান সেৱা আৰম্ভ হোৱাৰ বাতৰিটো **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কামাখ্যা মন্দিৰত সপত্নীক মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই পূজা অৰ্চনা কৰি দুই-তিনি মাহৰ ভিতৰতে কামাখ্যা মন্দিৰত কৰিডৰৰ কাম আৰম্ভ হ'ব বুলি কৰা মন্তব্যক ভিন ভিন শিৰোনামেৰে **নিয়মীয়া বাৰ্তা, অসমীয়া প্ৰতিদিন, আমাৰ অসম**ৰ লগতে প্ৰায় কেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত অসমৰ এন ডি এৰ সাংসদসকলে লোকসভাৰ অধ্যক্ষ ওম বিৰলাক সাক্ষাৎ কৰাৰ বাতৰি আৰু সমৰ্থ পোৰ্টেলৰ জৰিয়তে স্নাতক পাঠ্যক্ৰমৰ ১ কোটি ২৩ লাখ ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰাৰ বাতৰিটো কাকতসমূহে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

আজি টি-টুৱেণ্টি বিশ্বকাপৰ ফাইনেলত ভাৰত-দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হোৱাৰ বাতৰিটো আজি প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহে প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে ৰাস্তা বেয়া হ'লে টোল লোৱা অনুচিত বুলি কৰা মন্তব্য **আমাৰ অসম** কাকতে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে- পেৰিছলৈ উৰা মাৰিলে লাভলীনাই, শিল্পী হেমন্ত দত্তলৈ বান থিয়েটাৰ বঁটা ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooo

সমাপ্ত